**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 16-07-2024 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। জম্মু-কাশ্মীৰৰ ডোডা জিলাত যোৱা নিশা সন্ত্ৰাসবাদীৰ সৈতে হোৱা সংঘৰ্ষত গুৰুতৰভাৱে আহত এগৰাকী সেনা বিষয়াসহ ৫ জন জোৱানৰ আজি দেহাৱসান ঘটে।

২। চৰকাৰে প্ৰতিৰক্ষা খণ্ডত ৰপ্তানি হ্ৰাস কৰাৰ লগতে আত্মনিৰ্ভৰশীলতাত উদ্গনি যোগোৱাৰ উদ্দেশ্যে ৩৪৬ সামগ্ৰী বিশিষ্ট পঞ্চমখন ইতিবাচক সূচী প্ৰকাশ কৰিছে।

৩। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ডঃ এছ জয়শংকৰ দুদিনীয়া ভ্ৰমণসূচীৰে আজি মৰিচাছত উপস্থিত হৈছে।

৪। ভাৰতৰ সামগ্ৰী আৰু সেৱাৰ ৰপ্তানি জুনত ৫ দশমিক ৪ শতাংশ বৃদ্ধি পাই ছহেজাৰ ৫৪৭ কোটি ডলাৰ হৈছেগৈ।

আৰু

৫। ভাৰতৰ সুমিত নাগাল আজি ছুইডেন অপেন টেনিছ প্ৰতিযোগিতাৰ পুৰুষৰ ছিংগলছৰ এখন খেলত এলিয়াছ য়েমাৰৰ সন্মুখীন হ'ব।

0000000

জম্মু-কাশ্মীৰৰ ডোডা জিলাত যোৱা নিশা সন্ত্ৰাসবাদীৰ সৈতে হোৱা সংঘৰ্ষত গুৰুতৰভাৱে আহত এগৰাকী সেনা বিষয়াসহ ৫ জন জোৱানৰ আজি দেহাৱসান ঘটে। আমাৰ জম্মুৰ সংবাদদাতাই জনাইছে যে ৰাষ্ট্ৰীয় ৰাইফলছ আৰু জম্মু-কাশ্মীৰ আৰক্ষীৰ বিশেষ অভিযান গোটে বিশেষ তথ্যৰ পম খেদি ডোডা জিলাৰ ঢাৰি গোটে এলেকাত চলোৱা যুটিয়া অভিযানৰ সময়ত সূত্ৰপাত হোৱা সংঘৰ্ষত এই ৫ গৰাকী সেনা-জোৱান আহত হৈছিল। পাছত পাঁচোজনৰে মৃত্যু ঘটে। জম্মু-কাশ্মীৰৰ উপ-ৰাজ্যপাল মনোজ সিন্হাই বীৰ জোৱানকেইজনলৈ শ্ৰদ্ধাৰ্ঘ্য নিবেদন কৰিছে।

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং আৰু কেন্দ্ৰীয় মন্ত্ৰী ডঃ জিতেন্দ্ৰ সিঙে এই ঘটনাক লৈ গভীৰ শোক প্ৰকাশ কৰিছে। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে সামাজিক মাধ্যমযোগে কৈছে যে সমগ্ৰ ৰাষ্ট্ৰ কৰ্তব্য পালনৰ সময়ত দেশৰ হকে প্ৰাণ আহুতি দিয়া বীৰ সৈনিকসকলৰ পৰিয়ালৰ সৈতে দৃঢ়তাৰে থিয় দিছে। তেওঁ কয় যে অঞ্চলটোত সন্ত্ৰাসবাদ বিৰোধী অভিযান অব্যাহত আছে আৰু ভাৰতীয় সৈনিকসকল সন্ত্ৰাসবাদক পুলিয়ে পোখাই উৎখাত কৰিবলৈ আৰু অঞ্চলটোত শান্তি-শৃংখলা বাহাল কৰিবলৈ বদ্ধপৰিকৰ।

ইপিনে, কেন্দ্ৰীয় মন্ত্ৰী জিতেন্দ্ৰ সিঙে সামাজিক মাধ্যমৰ এটা পোষ্টত কৈছে যে তেওঁক নিজ সংসদীয় সমষ্টিত সংঘটিত এই সংঘৰ্ষৰ বাতৰিয়ে ব্যথিত কৰি তুলিছে। ডঃ সিঙে জনসাধাৰণক শত্ৰু পক্ষৰ অভিসন্ধি ব্যৰ্থ কৰাৰ লগতে কাশ্মীৰ উপত্যকাত শান্তি সম্প্ৰীতি বৰ্তাই ৰখাৰ বাবে ঐক্যবদ্ধ হ'বলৈ আহ্বান জনাইছে।

স্থল সেনাৰ মুৰব্বী জেনেৰেল উপেন্দ্ৰ দ্বিবেদীয়েও ডোডা জিলাত সন্ত্ৰাসবাদ বিৰোধী অভিযানৰ সময়ত প্ৰাণ হেৰুওৱা বীৰ ছহিদসকললৈ শ্ৰদ্ধা নিবেদন কৰিছে। তেওঁ কৈছে যে সেনাবাহিনী এই দুখৰ মুহূৰ্তত বীৰ সৈনিকসকলৰ পৰিয়ালবৰ্গৰ সৈতে আছে।

000000000

চৰকাৰে প্ৰতিৰক্ষা খণ্ডত ৰপ্তানি হ্ৰাস কৰাৰ লগতে আত্মনিৰ্ভৰশীলতাত উদ্গনি যোগোৱাৰ উদ্দেশ্যে ৩৪৬ বিধ সামগ্ৰী বিশিষ্ট পঞ্চমখন ইতিবাচক সূচী প্ৰকাশ কৰিছে। ইয়াৰে ভিতৰত এহেজাৰ কোটিৰো অধিক টকাৰ আমদানি প্ৰতিষ্ঠাপন মূল্যৰ কৌশলগত দিশৰ পৰা গুৰুত্বপূৰ্ণ লাইন ৰিপ্লেচমেণ্ট গোট, যন্ত্ৰাংশ, উপাদান আৰু কেঁচা সামগ্ৰী আছে।

প্ৰতিৰক্ষা মন্ত্ৰালয়ে কৈছে যে এই সামগ্ৰীসমূহ অকল ভাৰতীয় উদ্যোগৰ পৰাহে ক্ৰয় কৰা হ'ব। মন্ত্ৰালয়ে লগতে বিগত তিনি বছৰত ১২ হাজাৰ ৩০০ ৰো অধিক বিধ সামগ্ৰী স্বদেশীকৰণ কৰা হৈছে বুলি প্ৰকাশ কৰিছে। ইয়াৰ ফলত প্ৰতিৰক্ষা খণ্ডৰ ৰাজহুৱা কোম্পানীসমূহে ঘৰুৱা বিক্ৰেতাক মুঠ ৭ হাজাৰ ৫০০ কোটিৰো অধিক টকাৰ ফৰ্মাচ দিছে।

ooooooooo

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড° এছ জয়শংকৰে দুদিনীয়া ভ্ৰমণসূচীৰে আজি মৰিচাছত উপস্থিত হৈছে। সামাজিক মাধ্যমত কৰা এটা পোষ্টৰ জৰিয়তে বৈদেশিক মন্ত্ৰীগৰাকীয়ে কয় যে তেওঁ উৎপাদনশীল অংশীদাৰিত্বৰ লগতে ভাৰত আৰু মৰিছাছৰ মাজৰ সম্পৰ্ক আগুৱাই নিয়াৰ বাবে আগ্ৰহী। এই ভ্ৰমণকালত তেওঁক মৰিছাছৰ প্ৰধানমন্ত্ৰী প্ৰবীন্দ জগনৌথক সাক্ষাৎ কৰিব আৰু দেশখনৰ অন্যান্য জ্যেষ্ঠ মন্ত্ৰীসকলৰ সৈতে দ্বিপাক্ষিক বৈঠকত ভাগ ল'ব। তেওঁ মৰিছাছৰ শীৰ্ষস্থানীয় নেতাসকলকো যোগাযোগ কৰিব। মন্ত্ৰালয়ে কৈছে যে এই ভ্ৰমণে দেশ দুখনৰ মাজৰ সম্পৰ্কৰ গুৰুত্ব আলোকপাত কৰিব আৰু ভাৰতৰ চুবুৰীয়া প্ৰথম নীতি প্ৰতিফলিত কৰাৰ লগতে ভিছন সাগৰ আৰু গোলকীয় দক্ষিণৰ প্ৰতিও দায়বদ্ধতা প্ৰতিফলিত কৰিব। এই ভ্ৰমণে দুয়োখন দেশৰ বহুমাত্ৰিক দ্বি-পাক্ষিক সম্পৰ্ক গভীৰ কৰাৰ লগতে দুয়োখন দেশৰ মানুহৰ মাজৰ সম্পৰ্ক দৃঢ় কৰিব।

ooooooooo

কেন্দ্ৰীয় চৰকাৰে ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলত থকা আৰক্ষী চকী আৰু আৰক্ষী বিভাগৰ নিয়ন্ত্ৰণত থকা ঠাইসমূহ সাক্ষী পৰীক্ষণৰ কেন্দ্ৰ হোৱা উচিত নহয় বুলি মন্তব্য কৰিছে। কেন্দ্ৰীয় গৃহ সচিব অজয় ভাল্লাই ৰাজ্যৰ মুখ্য সচিব তথা কেন্দ্ৰীয়শাসিত অঞ্চলসমূহক লৈ এই সন্দৰ্ভত পত্ৰ প্ৰেৰণ কৰিছে। ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতা ২০২৩-ৰ অধীনত সকলো আৰক্ষী চকীকে দৃশ্য-শ্ৰাব্য ইলেক্ট্ৰনিক মাধ্যমেৰে সাক্ষী পৰীক্ষণ কেন্দ্ৰৰ স্থান চিনাক্ত কৰিবলৈ আহ্বান জনাইছে।

উল্লেখযোগ্য যে ভাৰতীয় দণ্ডবিধি ১৮৬০-ৰ ঠাইত চলিত মাহৰ প্ৰথমদিনাৰে পৰা ভাৰতীয় ন্যায় সংহিতা, ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতা আৰু ভাৰতীয় সাক্ষ্য অধিনিয়ম নামৰ তিনিখন অপৰাধমূলক নতুন আইন বলৱৎ কৰা হৈছে।

ooooooooo

ভাৰতৰ সামগ্ৰী আৰু সেৱাৰ ৰপ্তানি জুনত ৫ দশমিক ৪ শতাংশ বৃদ্ধি পাই ছহেজাৰ ৫৪৭ কোটি ডলাৰ হৈছেগৈ। বাণিজ্য আৰু উদ্যোগ মন্ত্ৰালয়ে প্ৰকাশ কৰা পৰিসংখ্যা অনুসৰি এপ্ৰিলৰ পৰা জুনলৈকে সামগ্ৰিক ৰপ্তানি ৮ দশমিক ৬ শতাংশ বৃদ্ধি পাই ২০ হাজাৰ ৩৫ কোটি ডলাৰ হয়। এই সময়ছোৱাত পণ্য সামগ্ৰীৰ ৰপ্তানি যোৱা বছৰৰ তুলনাত ২ দশমিক ৫ - ৫ শতাংশ বৃদ্ধি পায়। যোৱা জুনত পণ্য সামগ্ৰীৰ ৰপ্তানি বৃদ্ধিৰ ক্ষেত্ৰত অভিযান্ত্ৰিক সামগ্ৰী, বৈদ্যুতিন সামগ্ৰী, ঔষধ, কফি, জৈৱ ৰসায়ন, অজৈৱ ৰসায়ন সামগ্ৰীৰ অৱদান সৰ্বাধিক আছিল।

ooooooooo

বিধি বলৱৎকাৰী সঞ্চালকালয়ে আৰ জে ডিৰ প্ৰাক্তন বিধায়ক গুলাব যাদৱৰ বিভিন্ন ঠাইত থকা গৃহত তালাচী অভিযান চলাই আছে। ধনৰ লেনদেনৰ ঘটনাত অভিযুক্ত বিধায়কজনৰপাটনা, পুনে আৰু মধুবনীত থকা বিভিন্ন আবাসত আজি পুৱা ৬ বজাৰ পৰা একাদিক্ৰমে তালাচী অভিযান চলি থকা বুলি জানিব পৰা গৈছে। বিধি বলৱৎকাৰী সঞ্চালকালয়ৰ বিষয়াসকলে গুলাব যাদৱৰ পৈত্ৰিক গৃহ ঝাংঝাৰপুৰ মধুবনীত থকা পৈত্ৰিক গৃহতো তালাচী চলাইছে। ২০১৫ চনৰ নিৰ্বাচনত গুলাব যাদৱে ঝাংঝাৰপুৰ বিধানসভাৰ পৰা জয়ী হৈছে। এইবাৰো তেওঁ বি এছ পি দলৰ টিকটত লোকসভা নিৰ্বাচনত অৱতীৰ্ণ হ'লেও বিজয় সাব্যস্ত কৰিব নোৱাৰিলে।

ooooooooo

NEET-ৰ প্ৰশ্নকাকত ফাদিল হোৱা ঘটনাত কেন্দ্ৰীয় চোৰাংচোৱা সংস্থা চি বি আয়ে হাজাৰিবাগৰ এটা অতিথিগৃহৰ পৰা যোৱানিশা আৰু এজন লোকক আটক কৰে। নকৈ আটক কৰা এই লোকজনকে ধৰি হাজাৰিবাগৰ পৰা

এতিয়ালৈকে এই ঘটনাত আটক কৰা লোকৰ সংখ্যা ৫ লৈ বৃদ্ধি পালে। ইফালে, চোৰাংচোৱা সংস্থাটোৱে ধৃত লোকজনৰ পৰা কিছু নথি-পত্ৰ উদ্ধাৰ কৰিছে।

ooooooooo

কেৰালাৰ কেইবা ঠাইতো বিশেষকৈ ৰাজ্যখনৰ উত্তৰ অঞ্চলত ধাৰাসাৰ বৰষুণ হোৱাৰ পৰিপ্ৰেক্ষিতত ৰাজ্যখনৰ বহু অঞ্চল ক্ষতিগ্ৰস্ত হৈছে। ঠায়ে ঠায়ে বান আৰু পাহাৰীয়া এলেকাত খহনীয়া হোৱা দেখা গৈছে। কৃষিক্ষেত্ৰ আৰু আবাসিক অঞ্চলসমূহ ব্যাপক ক্ষতিৰ সন্মুখীন হৈছে। আজি অতিবৃষ্টিজনিত কাৰণত ৰাজ্যখনৰ কেইবাঠাইতো চাৰিজন লোকৰ মৃত্যু ঘটিছে। প্ৰশাসনে ৯ খন জিলাত ৰেড এলাৰ্ট জাৰি কৰিছে।

ooooooooo

বিহাৰৰ পাটনা জিলাত আজি নিচেই পুৱা হোৱা এটা পথ দুৰ্ঘটনাত ছজন লোকে প্ৰাণ হেৰুওৱাৰ লগতে আন ৭ জন লোক আহত হয়। বাঢ় মহকুমাৰ উপ-আৰক্ষী অধীক্ষক অভিষেক সিঙে প্ৰকাশ কৰা মতে পাটনা-বখতিয়াৰপুৰ সংযোগী চাৰিলেনযুক্ত ঘাইপথত এখন দ্ৰুত বেগী বাহনে বৈ থকা ট্ৰাক এখনত খুন্দিওৱাৰ ফলতে এই অঘটনটো ঘটে। আহতসকলক পাটনা চিকিৎসা মহাবিদ্যালয় হাস্পতালত ভৰ্তি কৰোৱা হৈছে। দুৰ্ঘটনাত পতিত বাহনখনৰ যাত্ৰীসকল গংগা উমানাথ ঘাটত মুণ্ডনৰ ৰীতি সম্পন্ন কৰাৰ বাবে নাৰাডাৰ পৰা বাঢ়লৈ গৈ আছিল।

ooooooooo

ভাৰতৰ সুমিত নাগাল আজি ছুইডেনৰ বাষ্টাড টেনিছ ষ্টেডিয়ামত চলি থকা ছুইডেন অপেন টেনিছ প্ৰতিযোগিতাৰ পুৰুষৰ ছিংগলছৰ এখন খেলত আয়োজক দেশখনৰ এলিয়াছ য়েমাৰৰ সন্মুখীন হ'ব। ইপিনে পুৰুষৰ ডাবলছত ভাৰতীয় খেলুৱৈগৰাকী আৰু পোলেণ্ডৰ কেৰল ড্ৰজেৱিছ্কিৰ যুটীটো আজি বিয়লি ফ্ৰান্সৰ আলেকজেন্দ্ৰী মুলাৰ আৰু লুকাভেন এচেৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ooooooo

ভাৰতৰ ৰোহন বোপন্না আৰু এন শ্ৰীৰাম বালাজীৰ যুটীটো কাইলৈ হেমবাৰ্গ অপেন টেনিছ প্ৰতিযোগিতাৰ পুৰুষৰ ডাবলছৰ প্ৰথম ৰাউণ্ডত জাৰ্মানীৰ জেকব স্লাইটাৰ আৰু মাৰ্ক বালন'ৰ'ৰ সন্মুখীন হ'ব। ভাৰতীয় যুটীটোৱে পেৰিছ অলিম্পিকৰ পূৰ্বে ক্ৰ'ৱেছিয়াৰ উমাগত আন এখন প্ৰতিযোগিতাতো অংশগ্ৰহণ কৰিব। পেৰিছ অলিম্পিকৰ পূৰ্বে ক্ৰ'ৱেছিয়াত হ'বলগীয়া প্ৰতিযোগিতাখন বোপন্না আৰু বালাজীৰ বাবে অন্তিমখন প্ৰতিযোগিতা হ'ব।

ooooooo

**সমাপ্ত**